**ASSEMBLY**
**IMMEDIATE**

**GOVERNMENT OF ASSAM**
**ACT EAST POLICY AFFAIRS DEPARTMENT**
**DISPUR :: GUWAHATI – 781 006**

**eCF No: 810031/28** **Dated Dispur the 8th July, 2026**

From : Smti. Juli Hazarika
Deputy Secretary to the Govt. of Assam,
Act East Policy Affairs Department,
Dispur, Ghy – 06

To : The Additional Secretary,
Assam Legislative Assembly,
Dispur, Ghy – 06.

Sub : Reply regarding Unstarred Assembly Question No. 160 to be asked by Shri Rekibuddin Ahmed, MLA.

Sir,

With reference to the above, I am directed to send herewith the reply of Unstarred Assembly Question No. 160 to be asked by Shri Rekibuddin Ahmed, MLA. in 150 sets. Also, soft copy of the replies in single pdf format has been uploaded to the portal URL: www.cms.neva.gov.in

This is for favour of your kind information.

Yours faithfully,

08/07/26.

Deputy Secretary to the Govt. of Assam
Act East Policy Affairs Department.

**Memo No. eCF No: 810031/28-A** **Dated Dispur the 8th July, 2026**

Copy to:

1. PS to Minister, Act East Policy Affairs Department, Assam for kind apprisal of the Hon'ble Minister, Dispur.
2. PS to Secretary to the Govt. of Assam, Act East Policy Affairs Department for kind appraisal of the Secretary.

By order etc,

08/07/26.

Deputy Secretary to the Govt. of Assam
Act East Policy Affairs Department

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং-১৬০
উত্তৰ দানৰ তাৰিখ-০৯-০৭-২০২৬
***

বিষয়ঃ বিভাগটোৱে আৰম্ভণিৰ পৰা এতিয়ালৈকে কৰা কাম সম্পৰ্কে।

বিধায়কঃ শ্ৰী ৰেকিবুদ্দিন আহমেদঃ

মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) এই বিভাগটোৱে আৰম্ভণিৰ পৰা এতিয়ালৈকে কি কি কাম কৰিছে, তাৰ খতিয়ান দাঙি ধৰিব।

(খ) কোনবোৰ বিদেশী ৰাষ্ট্ৰৰ সৈতে অসমৰ অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক, যোগাযোগ আদি সম্পৰ্ক ভাল কৰিবৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে জনাব।

(গ) অসমৰ পৰা বৰ্তমান কোন দেশলৈ প্ৰত্যক্ষ বিমান সংযোগ আছে আৰু ভৱিষ্যতে কোন কোন দেশলৈ প্ৰত্যক্ষ বিমান সেৱা আৰম্ভ কৰাৰ পৰিকল্পনা আছে? অসমৰ পৰা কোন দেশলৈ, কেতিয়াৰ পৰা প্ৰত্যক্ষ বিমান সেৱা (তাৰিখৰ সৈতে) আৰম্ভ হৈছিল সেই বিষয়ে বিতংকৈ জনাব।

(ঘ) অসমত উড়ান (UDAN) আঁচনি কেতিয়াৰ পৰা কেনেদৰে ৰূপায়ন কৰা হৈছে আৰু VGF ৰ নামত অসম চৰকাৰে এতিয়ালৈকে কিমান টকা ব্যয় কৰিছে বিতংকৈ জনাব।

<u>উত্তৰঃ</u>

মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ **মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে** উত্তৰ দিব–

**<u>প্ৰঃ নংঃ ক) উঃ</u>** (১) এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ প্ৰচেষ্টাত ২০১৭ চনত বাংলাদেশৰ সহকাৰী উচ্চ আয়ুক্তৰ কাৰ্য্যালয় আৰু ২০১৮ চনত ভূটানৰ কন্‌চুলেট গুৱাহাটীত স্থাপন কৰা হয় ।অসম চৰকাৰে এই বিভাগৰ যোগেদি সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ এক্ট ইষ্ট পলিচিৰ অধীনত লোৱা আঁচনি সমূহৰ ৰূপায়ণত সংশ্লিষ্ট বিভাগ/ সংস্থানৰ সৈতে সমন্বয়ৰে কাম কৰে।

(২) GIS–Advantage Assam 2018-ৰ অন্তৰ্গত (০৪/০২/২০১৮ তাৰিখে) ভাৰতৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগত দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ অৰ্থনৈতিক সম্পৰ্কৰ বিষয়ে এখনি বিশেষ সভা অনুস্থিত হৈছিল। এই সভাত বাংলাদেশ, ভূটান আৰু ৩ খন ASEAN ৰাষ্ট্ৰৰ মন্ত্ৰীৰ লগত NITI AAYOG-ৰ মুখ্য কাৰ্য্যবাহী বিষয়া (CEO) প্ৰমুখ্যে আন আন উচ্চ পদস্থ বিষয়া উপস্থিত আছিল। এই সভাত ASEAN আৰু BBN দেশসমূহৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঠন কৰাৰ বিষয়ে বিভিন্ন আলোচনা হয় ।

(৩) এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগে ২০১৯ চনৰ ৫ ফেব্ৰুৱাৰীত অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সৈতে ASEAN আৰু BBN দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত আৰু তেওঁলোকৰ প্ৰতিনিধিৰ লগত এখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰিছিল । এই সন্মিলনত উত্তৰ পূব ভাৰতৰ সৈতে আচিয়ান (ASEAN)আৰু(BBN) বিবিয়ান দেশসমূহৰ বাণিজ্যিক আৰু সাংস্কৃতিক সম্পৰ্ক উন্নত কৰণৰ পথ আৰু উপায় সমূহৰ বিষয়ে আলোচনা হৈছিল ।

(৪) সীমান্ত হাটৰ (Border Haat) ইণ্ডো-বাংলাদেশ যুটীয়া সমিতিৰ দ্বিতীয় বৈঠক চিলেটত (বাংলাদেশ) ২০১৯ চনৰ ২৩ আৰু ২৪ এপ্ৰিলত অনুষ্ঠিত হৈছিল। এই বিভাগৰ এগৰাকী উপ-সচিবে ভাৰতৰ সজাতি দলক প্ৰতিনিধিত্ব কৰে। এই বৈঠকত ৬ খন নতুন সীমান্ত হাটৰ অৱস্থান সম্পৰ্কে চুড়ান্ত কৰিছিল। এই বিভাগৰ প্ৰচেষ্টাত ধুবুৰী জিলাৰ সত্ৰশাল আৰু কৰিমগঞ্জ জিলাৰ লাটুত দুখনকৈ সীমান্ত হাট কৰাৰ সিদ্ধান্ত হৈছিল। এই সীমান্ত হাট সমূহে দুই দেশৰ পিচপৰা অঞ্চলৰ জনসাধাৰণৰ পৰম্পৰাগত বজাৰৰ ব্যৱস্থাক উন্নীতকৰণৰ লগতে দুই দেশৰ জনসাধাৰণৰ যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন কৰিব ।

(৫) এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু ইণ্ডিয়া ফাউণ্ডেশ্যনৰ উদ্যোগত ২০১৯ চনৰ ৩ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ ২য় ASEAN INDIA YOUTH SUMNIT ৰ আয়োজন কৰা হয়।

(৬) এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ উদ্যোগত ২০১৯ চনৰ ২৬ জুন'ৰ পৰা ৫ জুলাইলৈ অসম বিধান সভাৰ ১৫ জন মাননীয় সদস্য, ১৩ জন আই এ এছ আৰু এ চি এছ বিষয়া আৰু আন ২ জন বিষয়াৰ বাংলাদেশ আৰু ম্যানমাৰ বাছ ভ্ৰমণৰ ("সম্পৰ্ক যাত্ৰা") আয়োজন কৰা হৈছিল । এই "সম্পৰ্ক

যাত্রা"ৰ উদ্দেশ্য আছিল এই দেশসমূহক অসম ৰাজ্য আৰু বৃহত্তৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি সংবেদনশীল কৰা, এই অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ সম্ভাৱনাৰ প্ৰতি সংবেদনশীল কৰা, আৰু লগতে এই দেশসমূহৰ উদ্যোগ সম্প্ৰদায় আৰু ৰপ্তানিকাৰকৰ সৈতে বৈঠকত লিপ্ত হোৱা। বাছ ভ্ৰমণে প্ৰায় সকলো উল্লেখিত লক্ষ্য সম্পন্ন কৰিবলৈ সক্ষম হৈছে। বাছ ভ্ৰমণৰ ফলত বাংলাদেশ আৰু ম্যানমাৰৰ সৈতে সম্পৰ্ক অধিক আগুৱাই নিয়াৰ বাবে এখন কংক্ৰিট ৰোড মেপ তৈয়াৰ কৰা হয়।

(৭) বাংলাদেশৰ ৫০ তম স্বাধীনতা বৰ্ষ আৰু ভাৰতৰ "আজাদি কা অমৃত" মহোৎসৱ উপলক্ষে বাংলাদেশৰ ১৫ জন মুক্তিযোদ্ধা, ৬ জন সাংবাদিক আৰু ৪ জন যুৱ প্ৰতিনিধিয়ে বাংলাদেশ চৰকাৰৰ উচ্চায়ুক্ত, ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু অসম চৰকাৰৰ যৌথ সহযোগত ২০২২ চনৰ ১৬ ৰ পৰা ২০ জুনলৈ অসম ভ্ৰমণলৈ আহে। তেখেত সকলে গুৱাহাটী আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলৰ ধৰ্মীয়, সাংস্কৃতিক, ঐতিহাসিক স্থান সমূহৰ লগতে বিভিন্ন পৰ্যটন স্থলি সমুহ পৰিদৰ্শন কৰে। ভ্ৰমনসূচীৰ অন্তিম দিনত অতিথি সকলে গুৱাহাটী স্থিত ৰাজ্যিক অতিথিশালাত মাননীয় অসমৰ মুখ্যমন্ত্ৰী, বিভাগীয় মন্ত্ৰীৰ লগতে মুখ্য সচিব আৰু বিভিন্ন উচ্চপদস্থ বিষয়া সকলৰ লগত মত বিনিময় কাৰ্যক্ৰমত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে দুয়োখন দেশৰ মাজত সাংস্কৃতিক সম্পৰ্ক সুগম আৰু সুদৃঢ় হোৱাৰ পথ প্ৰশস্ত হয়।

(৮) ৩০ বছৰীয়া ভাৰত আৰু ASEAN দেশসমূহৰ বন্ধুত্বৰ চিন স্বৰূপে ২৭ মে' ২০২২ ত "Act East Through Northeast"সন্মিলন খন গুৱাহাটীত অনুষ্ঠিত হয়। এই সন্মিলনখন Act East Policy বিভাগে ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ৰ সহযোগত অনুষ্ঠিত কৰে । এই সন্মিলন খনত অসমৰ মাননীয় মুখ্যমন্ত্ৰীকে ধৰি অসম চৰকাৰৰ বহু কেইজন মন্ত্ৰী, আমোলা, ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰীকে আদি কৰি কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। এই সন্মিলন খনত, ASEAN দেশ সমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তই উত্তৰ পূৰ্বাঞ্চলৰ সৈতে ASEAN দেশসমূহক কেনেকৈ পথ, ৰেলপথ, জলপথ, বায়ুপথ আৰু Netwaysৰ জৰিয়তে সুচল যোগাযোগ ব্যৱস্থা কৰিব পাৰি সেই বিষয়ে বিতং ভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰিও উত্তৰ পূৰ্বাঞ্চলৰ লগত ASEAN দেশ সমূহৰ ১) পৰ্যটন উদ্যোগ ২) চাহ উদ্যোগ ৩) বস্ত্ৰ উদ্যোগ আৰু এই অঞ্চলত উৎপাদিত বিভিন্ন সামগ্ৰী যেনে, বাঁহ, নহৰু আদিৰ ৰপ্তানিৰ বিষয়ে বিশদ পৰ্যালোচনা হয়।

(৯)এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগে ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয় আৰু এছিয়ান কনফ্লুৱেন্সৰ সহযোগত গুৱাহাটীত পোন প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক "NADI 3.0"সন্মিলন বংগোপ উপসাগৰীয় আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ মাজত জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু সম্পদ হিচাপে ব্যৱহাৰৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনা সমূহৰ আলোচনাৰ বাবে ২৮ আৰু ২৯ মে', ২০২২ ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। সন্মিলনখনৰ লক্ষ্য হৈছে উত্তৰ-পূৰ্বাঞ্চল আৰু অসমক কেন্দ্ৰবিন্দু হিচাপে লৈ বংগোপ উপসাগৰীয় অঞ্চল আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে আঞ্চলিক সহযোগিতাৰে এক সামূহিক দৃষ্টিভংগী গ্ৰহণ কৰা । এই আন্তৰ্জাতিক নদী সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, বাংলাদেশৰ বৈদেশিক মন্ত্ৰী ড০ এ কে আব্দুল মমেন, থাইলেণ্ডৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডন প্ৰমুৱাইনাই, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকে।

(১০) এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগে নেপাল, ভূটান, বাংলাদেশ আৰু ম্যানমাৰৰ সৈতে অঞ্চলটোৰ সৰ্বাংগীন বিকাশৰ বাবে অৰ্থনৈতিক কৰিডৰ পৰিকল্পনা আৰু কাৰ্যকৰী কৰাৰ বাবে **১৬ ফেব্ৰুৱাৰী, ২০২৪** তাৰিখে গুৱাহাটীৰ হোটেল ৰেডিছন বুলুত **"এক্ট ইষ্ট থ্ৰু অসম: কানেক্টিভিটি কনক্লেভ"**নামৰ কাৰ্যক্ৰম এখন আয়োজন কৰে। উক্ত সন্মিলনত কেইবাজনো আমন্ত্ৰিত অংশীদাৰৰ সৈতে উত্তৰ-পূব ভাৰত আৰু চুবুৰীয়া দেশসমূহৰ অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত বহুমূলীয়া অন্তৰ্দৃষ্টি/ ধাৰণা/ চিন্তাৰ আদান-প্ৰদান কৰা হয়। এই সন্মিলনত অসম আৰু চুবুৰীয়া দেশসমূহৰ মাজত শক্তিশালী অৰ্থনৈতিক সম্পৰ্ক স্থাপনৰ পথ চিনাক্তকৰণ আৰু অদূৰ ভৱিষ্যতে এই চিন্তাক বাস্তৱত পৰিণত কৰিবলৈ আঞ্চলিক চৰকাৰ, আন্তঃৰাষ্ট্ৰীয় আৰু বহুপক্ষীয় সংস্থাসমূহৰ সৈতে যোগাযোগ স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

(১১) ২০২৪ চনৰ ২৩ ছেপ্টেম্বৰত ৩২ জনীয়া থাই প্ৰতিনিধি দল এটাৰ সৈতে অসম চৰকাৰৰ উচ্চ পৰ্য্যায়ৰ বিষয়াসকলৰ এখন আলোচনা সভা অনুষ্ঠিত হয় । আলোচনাত এন ই পি ২০২০ৰ অধীনত উদ্যোগ, সাংস্কৃতিক আৰু ভাষা বিনিময়, বৃত্তিমূলক প্ৰশিক্ষণ, পৰ্যটন, বিনিয়োগ প্ৰসাৰ, বাণিজ্য, ডক্টৰেট আৰু পোষ্ট ডক্টৰেট অধ্যয়নত ভাৰত-থাইলেণ্ডৰ সম্পৰ্ক, ভাষা পাঠ্যক্ৰম, ছাত্ৰ-অধ্যাপক বিনিময়, বৃত্তি, আৰু আৰ এণ্ড ডি আদি সহযোগিতাৰ ক্ষেত্ৰসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগিতা আৰু দিহা-পৰামৰ্শত অসম চৰকাৰে এই উদ্দেশ্যসমূহৰ দিশত কাম কৰিব বুলি সহমতত উপনীত হয়।

(১২) ২০২৫ চনৰ ৬ আৰু ৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত পঞ্চম ভাৰত-জাপান বৌদ্ধিক সন্মিলন (কিজুনা-5)-যি প্ৰযুক্তি, শিক্ষা আৰু লজিষ্টিকৰ ক্ষেত্ৰত জাপানৰ সৈতে সহযোগিতাৰ ওপৰত গুৰুত্ব

আৰোপ কৰিছিল; আৰু, বহনক্ষম উন্নয়ন, প্ৰযুক্তি, আধ্যাত্মিকতা আৰু আঞ্চলিক সংযোগৰ ক্ষেত্ৰত সীমান্তৰ পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ বাবে চলি থকা প্ৰচেষ্টাৰ অংশ হিচাপে ২০২৫ চনৰ জুনত ভূটানৰ গেলেফু মাইণ্ডফুলনেছ চিটিৰ মূল সদস্যৰ দল এটাই অসম ভ্ৰমণ কৰে।

(১৩) 2025 চনৰ মে' মাহত ব্ৰিটিছ উপ উচ্চায়ুক্তৰ সৈতে এক পৰৱৰ্তী মত বিনিময় হৈছিল-য' ত দক্ষতা, উচ্চ শিক্ষা, ছেমিকণ্ডাক্টৰ, আন্তঃগাঁথনি, মীন পালন, জলবায়ু পৰিৱৰ্তন, নৱীকৰণযোগ্য শক্তি, মাইক্ৰ' ইলেক্ট্ৰনিকছ আৰু বৈদ্যুতিক বাহনৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে অগ্ৰাধিকাৰ চিনাক্ত কৰা হৈছিল। এই সন্দৰ্ভত বিভাগে এই পদক্ষেপসমূহ ৰূপায়ণৰ বাবে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ বিভাগসমূহৰ সৈতে যোগাযোগ কৰিছে।

(১৪) ভূটান আৰু ভাৰতৰ মাজৰ সম্পৰ্কৰ ভিত্তিত এক্ট ইষ্ট পলিচি এফেয়াৰ্ছ বিভাগে ভাৰত দৰ্শন কাৰ্যসূচীৰ অংশ হিচাপে ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা ৪ জানুৱাৰীলৈকে ভূটানস্থিত ভাৰতৰ ৰাষ্ট্ৰদূত শ্ৰী সন্দীপ আৰ্যৰ অসম ভ্ৰমণৰ আয়োজন কৰিছিল। ৰাষ্ট্ৰদূতগৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী, মুখ্য সচিব আৰু উদ্যোগ সংগঠনসমূহৰ সৈতে সহযোগিতাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মত বিনিময় কৰে।

(১৫) ২০২৬ চনৰ ১০ মাৰ্চত ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ সহযোগত এই বিভাগে " এক্ট ইষ্ট পলিচি আৰু অসমৰ উদীয়মান ভূমিকাৰ সৈতে যুৱক-যুৱতীৰ ভাৱবিনিময়-" শীৰ্ষক এখনি কুইজ আৰু তৰ্ক প্ৰতিযোগিতা আয়োজন কৰা হয় । ইয়াৰ মূল উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰীসকলে অৰ্থপূৰ্ণ আলোচনাত লিপ্ত হোৱাৰ লগতে অঞ্চলটোক গঢ় দিয়া মূল নীতিগত বিকাশৰ বিষয়ে তেওঁলোকৰ বুজাবুজি বৃদ্ধি কৰা ।

(১৬) কটন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগে এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ সহযোগত ১২ মাৰ্চ, ২০২৬ তাৰিখে "Assam in Act East Policy: Gateway, Catalyst and Bridge to the East" শীৰ্ষক এদিনীয়া আন্তঃৰাষ্ট্ৰীয় কনক্লেভ সফলতাৰে আয়োজন কৰে ।

<u>**প্ৰ: নং:(খ) উ:**</u> অসম চৰকাৰৰ এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগে চুবুৰীয়া দেশ বিশেষকৈ বাংলাদেশ, ভূটান, নেপাল, ম্যানমাৰ, আৰু আছিয়ানৰ সদস্য ৰাষ্ট্ৰৰ সৈতে অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক আৰু যোগাযোগৰ সহযোগিতাক প্ৰসাৰিত কৰি ভাৰতৰ এক্ট ইষ্ট পলিচিক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে অসমৰ স্থিতি শক্তিশালী কৰা পদক্ষেপসমূহ ৰূপায়ণৰ বাবে বিভাগটোৱে সমন্বয়ক সংস্থা হিচাপে কাম কৰে।

বিদেশী ৰাষ্ট্ৰৰ সৈতে অসমৰ অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক, যোগাযোগ আদি সম্পৰ্ক ভাল কৰিবৰ বাবে লোৱা পদক্ষেপ বোৰ প্ৰশ্ন নং ( ক)ত বিতং ভাবে বিৱৰণ কৰা হৈছে । ইয়াৰ উপৰিও অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ, পৰ্যটন বিভাগ, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ, আৰু শিক্ষা বিভাগৰ পৰা তথ্য সমুহ তলত সন্নিবিষ্ট কৰা হ'ল :

দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ পৰা পোৱা তথ্য অনুসৰি অসম চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগে অসম দক্ষতা বিকাশ অভিযান (ASDM)-ৰ জৰিয়তে CM-FLIGHT (Chief Minister's Foreign Language Initiative for Global Human Talent) নামৰ এক বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই কাৰ্যসূচীৰ লক্ষ্য হৈছে অসমৰ যুৱকপ্ৰদান যুৱতীসকলক বিদেশী ভাষাৰ প্ৰশিক্ষণ- কৰি নৈতিক আৰু সুসংগঠিতভাৱে বিদেশত নিয়োগৰ সুযোগ সৃষ্টি কৰা।

২০২৫ বৰ্ষত পাইলট ২৬-প্ৰজেক্ট পৰ্যায়ত ১৫৪ জন যুৱকযুৱতীক জাপানী ভাষাৰ - প্ৰশিক্ষণ দি থকা হৈছে।

**সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ** অধীনত থকা সাংস্কৃতিক সঞ্চালকালয়ে অসম চৰকাৰৰ উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান (IC&PE) বিভাগৰ উদ্যোগত যোৱা ৩১-০৮-২০২৫ ৰ পৰা ০৬-০৯-২০২৫ লৈ জাপানৰ ওচাকাত অনুষ্ঠিত World Expo ত সাংস্কৃতিক অনুষ্ঠান পৰিবেশনৰ বাবে ১০ জনীয়া এটি দল অসমৰ বিভিন্ন কলা সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদেশ্যে ভাৰত পেভেলিয়নত বাৰেৰহনীয়া অনুষ্ঠান প্ৰদৰ্শণ কৰিছিল । ইয়াৰোপৰি অসম চৰকাৰৰ অনুমতি সাপেক্ষে পৰবৰ্তী পৰ্য্যায়ত দক্ষিণ পূব এছিয়াৰ বিভিন্ন ৰাষ্ট্ৰৰ সৈতে সাংস্কৃতিক বিনিময়ৰ দিহা কৰা হব ।

বিদেশী ৰাষ্ট্ৰসমূহৰ সৈতে অসমৰ অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক আৰু যোগাযোগ সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্যৰে **অসম চৰকাৰৰ পৰ্যটন বিভাগৰ** অধীনস্থ অসম পৰ্যটন নিগমে ১২ ডিচেম্বৰৰ পৰা ১৭ ডিচেম্বৰ, ২০২৫ তাৰিখৰ ভিতৰত সফলতাৰে India-ASEAN Tourism Professional

Exchange Programme, 2025 ৰূপায়ণ কৰে । এই কাৰ্য্যসূচীৰ মূল উদ্দেশ্য আছিল পৰ্যটন ক্ষেত্ৰত সহযোগীতা শক্তিশালী কৰা, জনসাধাৰণৰ মাজত সংযোগ (People to People Connectivity) বৃদ্ধি কৰা আৰু অসম তথা সমগ্ৰ উত্তৰ পুৰ্বাঞ্চল (NER) ক ASEAN বজাৰৰ বাবে এটা উদীয়মান পৰ্যটন গন্তব্যস্থান হিচাবে প্ৰতিষ্ঠিত কৰা। ইণ্ডোনেছিয়া, থাইলেণ্ড, ম্যানমাৰ, টিমৰ-লেষ্টে, ছিংগাপুৰ, মালয়েছিয়া, ভিয়েটনাম, লাওচ, পিডিআৰ, ফিলিপাইনচ আৰু কম্বোডিয়া আদি ASEAN ৰাষ্ট্ৰসমূহৰ পৰ্যটন বিশেষজ্ঞসকলৰ অংশগ্ৰহণেৰে এই কাৰ্যসূচী আয়োজিত হয় । ইয়াৰ ফলত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আন্ত:ৰাষ্ট্ৰীয় প্ৰেক্ষাপট বৃদ্ধি পোৱাৰ লগতে ভাৰত ASEAN পৰ্যটন সহযোগিতা শক্তিশালী হয় ।

পৰ্যটন বিভাগে তলত উল্লেখ কৰা ৩(তিনি)খন দেশলৈ তেওঁলোকৰ নাগৰিকসকলক অসম ভ্ৰমন নকৰিবলৈ জাৰি কৰা প্ৰতিকূল ভ্ৰমন উপদেষ্টা (Adverse travel advisories) পৰ্যালোচনা কৰিবৰ বাবে চৰকাৰী অৰ্ধ-পত্ৰ (D.O.letters ) প্ৰেৰণ কৰিছে:

১) আমেৰিকা যুক্তৰাষ্ট্ৰ ( The United States of America)

২) ইউনাইটেড কিংদম( The United Kingdom)

৩) কানাডা( Canada)

অসমৰ শিৱসাগৰৰ শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ত মহাবিদ্যালয়ৰ আই কিউ এচিৰ উদ্যোগত ২০২৬ চনৰ প্ৰথম ফেব্ৰুৱাৰীত এখন আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ আয়োজন কৰা হয়। আলোচনা চক্ৰত "থাইলেণ্ডৰ বিশেষ উল্লেখেৰে ভাৰতৰ উত্তৰ-পূব আৰু দক্ষিণ-পূব এছিয়াৰ সংযোগ" বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। এই অনুষ্ঠানৰ প্ৰধান উদ্দেশ্য আছিল আৰ্থ-সাংস্কৃতিক আৰু শৈক্ষিক বিনিময়ৰ সুবিধা প্ৰদান কৰা আৰু দুয়োটা ৰাষ্ট্ৰৰ মাজত সংযোগ শক্তিশালী কৰা, য'ত অনুষদ বিনিময়ৰ ওপৰত আলোচনা, অনলাইন অধিবেশন অনুষ্ঠিত কৰা আৰু থাইলেণ্ডত চাকৰিৰ সুযোগৰ ওপৰত ভাৱ বিনিময় আদি অন্তৰ্ভুক্ত কৰা হৈছিল।

আলোচনা চক্ৰখনৰ যৌথ অধ্যক্ষতা কৰে বিশিষ্ট শিক্ষাবিদ ড০ থানাপট চিম্পলচিল (ইউনাইটেড থাই পিপল ফাউণ্ডেশ্যনৰ সভাপতি তথা মানৱ সম্পদ আৰু প্ৰশাসনিক ইউনিট ইঞ্জিনিয়াৰিং পাব্লিক কোম্পানী (এন আই ডি এ), থাইলেণ্ডৰ উপ-সভাপতি) আৰু থাইলেণ্ডৰ পাডুং পাকডি আইন কাৰ্যালয়ৰ আইনী পৰামৰ্শদাতা শ্ৰী পাছকৰ্ণ ডমহোম ।

ইয়াৰোপৰি বহুতো বিদেশী ৰাষ্ট্ৰৰ শিক্ষাৰ্থীয়ে অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত অধ্যয়ন কৰি আছে । যেনে – দক্ষিণ কোৰিয়া,আফগানিস্তান, কেনিয়া, চিৰিয়া, টানজেনিয়া, ইথোপিয়া, ঘানা, লাওচ, ছুদান, ভিয়েটনাম, জাম্বিয়া, বাংলাদেশ, য়েমেন, নেপাল, ওগাণ্ডা, গামবিয়া, নাইজেৰিয়া, লাইবেৰিয়া আদি ।

<u>প্ৰ:নং (গ) উ:</u> পৰিবহন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি অসমৰ পৰা বৰ্তমান ভূটান, চিংগাপুৰ আৰু থাইলেন্ড দেশলৈ প্ৰত্যক্ষ বিমান সংযোগ আছে আৰু ভৱিষ্যতে ডুবাই আৰু আবুধাবি দেশলৈ প্ৰত্যক্ষ বিমানসেৱা আৰম্ভ কৰাৰ পৰিকল্পনা আছে। অসমৰ পৰা বৰ্তমান ভূটান, চিংগাপুৰ আৰু থাইলেন্ড দেশলৈ প্ৰত্যক্ষ বিমান সেৱা ০৯/০৯/২০২২ চনৰ পৰা আৰম্ভ হৈছিল আৰু অসমৰ পৰা ডুবাই লৈ প্ৰত্যক্ষ বিমান সেৱা ০৪/০৮/ ২০২৬ ৰ পৰা আৰম্ভ হ'ব।অসমৰ পৰা আবুধাবি দেশলৈ প্ৰত্যক্ষ বিমান সেৱা ০৭/০৮/২০২৬ৰ পৰা আৰম্ভ হ'ব।

<u>প্ৰ:নং (ঘ) উ:</u> পৰিবহন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ২৬.০৪.২০১৮ তাৰিখৰ পৰা,যেতিয়া তেজপুৰ বিমানবন্দৰ UDAN 2.0 ৰ অধীনত কাৰ্যক্ষম হৈ উঠাৰ পৰাই অসমত UDAN আঁচনি কাৰ্যকৰী হৈ আহিছে, অসামৰিক বিমান পৰিবহণ নীতি (চি এ পি এন), ২০১৬ৰ অধীনত আৰু পৰৱৰ্তী সময়ত আঁচনিখনৰ একেৰাহে ৰাউণ্ডৰ জৰিয়তে যোৰহাট, লীলাবাৰী আৰু ৰূপচি বিমানবন্দৰলৈ সম্প্ৰসাৰিত হৈছে।১৫.০৫.২০২৬ তাৰিখলৈকে চাৰিটা আৰ চি এছ বিমান বন্দৰ আৰু কাৰ্যকৰী আৰ চি এছ পথসমূহ এই আঁচনিৰ অধীনলৈ অনা হৈছে। যাৰ ফলত অসমৰ ভিতৰত আৰু অসম আৰু দেশৰ অন্যান্য প্ৰান্তৰ মাজত আঞ্চলিক বিমান সংযোগৰ উন্নতি ঘটিছে। VGF ৰ নামত অসম চৰকাৰে এতিয়ালৈকে মুঠ ২৩৬.০৪৪৬৬ লাখ টকা ব্যয় কৰিছে ।

উৎস-Airport Authority of India, North East Region, Guwahati.